Total number of printed pages–3

**14 (ASM–4) 4046**

# 2024

# ASSAMESE

Paper : ASM–4046

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*৮ নং আৰু যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা।*

১। "জোনাকী'ত অসমীয়া চুটিগল্পই জন্ম লাভ কৰিছিল, 'আৱাহন'ত বিকাশ লাভ কৰে আৰু 'কামধেনু'ত অসমীয়া চুটি-গল্পইসকলো ফালৰ পৰা সমৃদ্ধি লাভ কৰে।' এই মন্তব্যৰ আধাৰত অসমীয়া চুটিগল্পৰ জন্ম, বিকাশ আৰু সমৃদ্ধিত আলোচনীৰ ভূমিকা সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা। ১২

২। কামধেনু যুগৰ চুটিগল্পত মাৰ্ক্সবাদ, ফ্ৰয়েদীয় মনস্তত্ত্ব আৰু অস্তিত্ববাদী দৰ্শনৰ প্ৰভাৱ কেনেদৰে পৰিছিল কেইটিমান চুটিগল্পৰ আধাৰত বিচাৰ কৰা। ১২

Contd.

৩। চৈয়দ আব্দুল মালিকৰ ‘প্ৰাণ পোৱাৰ পিছত’ গল্পটিৰ কেন্দ্ৰীয় বিষয়বস্তু সম্পৰ্কে আলোচনা কৰি গল্পটিত হালুৱা সংস্কৃতিৰ ঐতিহ্য সম্পৰ্কে কি কথা ব্যক্ত কৰিছে বিচাৰ কৰা। ১২

৪। “নিজৰ গতিৰ পৰিৱৰ্তন দেখি নিজেই তবধ মানিবলদীয়াত পৰিছোঁ।”—এই বাক্যটো তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত কোনটো চুটিগল্পৰ? এই কথাষাৰ কি প্ৰসঙ্গত উত্থাপিত হৈছে আলোচনা কৰা। ১২

৫। অসমীয়া চুটিগল্পলৈ সৌৰভ কুমাৰ চলিহাই কেনেধৰণৰ পৰিবৰ্তন আনিলে তেওঁৰ ‘এহাত দাবা’ নামৰ গল্পটোৰ যোগেদি বিশ্লেষণ কৰি দেখুওঁৱা। ১২

৬। নগেন শইকীয়াৰ ‘বন্ধ কোঠাত ধুমুহা’ কথাষাৰৰ প্ৰতীকী তাৎপৰ্য বিচাৰ কৰি গল্পটোৰ কেন্দ্ৰীয় ভাৱ সম্পৰ্কে আলোচনা কৰা। ১২

৭। “চুটিগল্পৰ আৰম্ভনি আকস্মিক আৰু সমাপ্তি নাটকীয়”—চুটিগল্পৰ এই বৈশিষ্ট্য অসমীয়া চুটিগল্পত কেনেদৰে ৰূপায়ণ ঘটিছে উদাহৰণসহ আলোচনা কৰা। ১২



৮। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) অপূৰ্ব শৰ্মাৰ চুটিগল্পৰ ভাষা

(খ) ‘ৰাং কুকুৰৰ টুপী’ চুটিগল্পত সমাজ বাস্তৱতা

(গ) অসমীয়া চুটিগল্পত নিঃসঙ্গতাবোধ

(ঘ) জোনাকী যুগৰ চুটিগল্পৰ আঙ্গিক কলা-কৌশল

(ঙ) ‘ব্যৰ্থতাৰ দান’ চুটিগল্পৰ নামকৰণৰ তাৎপৰ্য

(চ) ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পৰ কথনৰীতি